# নগাঁও বিশ্ববিদ্যালয়
# Nagaon University

স্থাপিতঃ ২০২৩

## সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা সোঁৱৰণী
## সদৌ অসম আন্তঃ বিশ্ববিদ্যালয়-মহাবিদ্যালয়
## সাহিত্য প্ৰতিযোগিতা - ২০২৬



প্ৰবন্ধ প্ৰতিযোগিতা ঃ

### বিষয় ঃ “ মোৰ সপোনৰ অসম”
“The Assam that I dream of ”

মান্যবৰ,

সাদৰ সম্ভাষণ গ্ৰহণ কৰিব। আপোনাক / আপোনালোকক জনাবলৈ পাই সুখী হৈছোঁ যে নগাঁও বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী বিভাগৰ উদ্যোগত "সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা সোঁৱৰণী সদৌ অসম আন্তঃবিশ্ববিদ্যালয়-মহাবিদ্যালয় সাহিত্য প্ৰতিযোগিতা-২০২৬"ৰ অধীনত এখনি প্ৰবন্ধ প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ যো-জা কৰা হৈছে।

উক্ত প্ৰতিযোগিতাৰবাবে আপোনাৰ শিক্ষানুষ্ঠানৰ স্নাতক-স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ পৰা সিপিঠিত দিয়া নিয়মাৱলীৰ ভিত্তিত প্ৰবন্ধ আহ্বান কৰি এই পত্ৰ প্ৰেৰণ কৰিলোঁ। আমাৰ আহ্বানৰ প্ৰতি সহঁাৰি জনাই প্ৰতিযোগিতাখনি সফলকাম কৰাত সহায় কৰিব বুলি আশা থাকিল।

আন্তৰিকতাৰে --

ড০ লক্ষ্যজ্যোতি বৰঠাকুৰ
ডীন, ছাত্ৰ কল্যাণ বিভাগ (ভাৰপ্ৰাপ্ত)
নগাঁও বিশ্ববিদ্যালয়

ড০ অৰণি শইকীয়া
শিক্ষক তত্ত্বাৱধায়ক
সাহিত্য আৰু আলোচনী বিভাগ
নগাঁও বিশ্ববিদ্যালয়

স্মিতা হীৰা
সম্পাদিকা
সাহিত্য আৰু আলোচনী বিভাগ
নগাঁও বিশ্ববিদ্যালয়

## প্ৰতিযোগিতাৰ নিয়মাৱলী

১। প্ৰবন্ধৰ বিষয় ঃ "মোৰ সপোনৰ অসম"। প্ৰবন্ধ জমা দিয়াৰ শেষ তাৰিখ ঃ ৩০ এপ্ৰিল, ২০২৬।

২। শৈক্ষিক, ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, বিজ্ঞান/প্ৰযুক্তি, সাহিত্য-সংস্কৃতি আদি দিশসমূহত অনাগত ৩০ বছৰত অসমক ৰাজ্য হিচাপে কি স্থিতিত থকাটো বিচাৰে? এই সকলো দিশ সন্নিৱিষ্ট কৰি প্ৰবন্ধ লিখিব লাগিব।

৩। কেৱল স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিযোগিতাটিত অংশগ্ৰহণ কৰিব পাৰিব।

৪। প্ৰবন্ধৰ শব্দৰ সংখ্যা সৰ্বনিম্ন ৩০০০ আৰু সৰ্বাধিক ৪০০০ হ'ব লাগিব।

৫। প্ৰবন্ধৰ মাধ্যম অসমীয়া বা ইংৰাজী হ'ব পাৰিব।

৬। প্ৰতিযোগীসকলে প্ৰবন্ধসমূহ ইমেইল যোগে smitahira686@gmail.com আৰু হোৱাটছ এপ্ যোগে- 8638865271 নম্বৰত দুয়োটাতে প্ৰেৰণ কৰিব লাগিব।

৭। অসমীয়া ভাষাত জমা দিয়া প্ৰবন্ধসমূহৰ বাবে- Adobe PageMaker 7.0, Ramdhenu Software আৰু, Geetanjali Font ব্যৱহাৰ কৰি টাইপ কৰি PDF আৰু Docx format দুয়োটা মাধ্যমতে প্ৰেৰণ কৰিব লাগিব।

৮। ইংৰাজী ভাষাত জমা দিয়া প্ৰবন্ধসমূহৰ বাবে- Times New Roman Font, 12 font size, Line Spacing 1.5 ব্যৱহাৰ কৰি টাইপ কৰি PDF আৰু Docx format দুয়োটা মাধ্যমতে প্ৰেৰণ কৰিব লাগিব।

৯। প্ৰতিযোগীয়ে প্ৰবন্ধ জমা দিওঁতে নিজৰ নাম, অধ্যয়নৰত বিশ্ববিদ্যালয়-মহাবিদ্যালয়ৰ নাম, শ্ৰেণী, ঠিকনা, যোগাযোগ নম্বৰ স্পষ্টকৈ উল্লেখ কৰাটো বাঞ্চনীয়। প্ৰবন্ধৰ লগত শিক্ষানুষ্ঠানৰ মুৰব্বীয়ে দিয়া পঢ়ি থকা প্ৰমাণ পত্ৰ প্ৰেৰণ কৰাটো বাধ্যতামূলক।

১০। নিৰ্বাচিত প্ৰবন্ধ সংকলন আকাৰে প্ৰকাশ কৰা হ'ব।

১১। ৭ আগষ্ট, ২০২৬ তাৰিখে অনুষ্ঠিত হ'বলগীয়া নগাঁও বিশ্ববিদ্যালয়ৰ 'ঐতিহ্য দিৱস'ৰ দিনা প্ৰবন্ধ সংকলনটি প্ৰকাশ পাব।

১২। প্ৰবন্ধ সংকলনটিত প্ৰকাশ পোৱা প্ৰবন্ধসমূহৰ লেখকসকলে প্ৰবন্ধ সংকলন বিনামূলীয়াকৈ লাভ কৰিব।

১৩। প্ৰবন্ধ সম্পূৰ্ণ মৌলিক হ'ব লাগিব।

১৪। বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত বুলি বিবেচিত হ'ব।

## প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ

প্ৰথম স্থান ঃ ১০,০০০/- টকা, মানপত্ৰ আৰু কিতাপৰ টোপোলা

দ্বিতীয় স্থান ঃ ৭,০০০/- টকা, মানপত্ৰ আৰু কিতাপৰ টোপোলা

তৃতীয় স্থান ঃ ৫,০০০/- টকা, মানপত্ৰ আৰু কিতাপৰ টোপোলা

উদগণি বঁটা ঃ ৩,০০০/- টকা, মানপত্ৰ আৰু কিতাপৰ টোপোলা

উদগণি বঁটা ঃ ৩,০০০/- টকা, মানপত্ৰ আৰু কিতাপৰ টোপোলা

**ঃ অধিক তথ্যৰ বাবে যোগাযোগ কৰিব ঃ 8638865271**




মুদ্ৰণ ঃ সূৰ্য্য প্ৰিণ্টিং ৱৰ্কচ, নগাঁও